NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-04-2024
**Time :** 1910 hrs

*Assamese Evening Bulletin*

**HEADLINES**

০০০০০০০

১। দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিছে। এই পৰ্য্যায়ত পৰহিলৈ ১৩ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৯ টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

২। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কৈছে যে দেশতেই হওক বা মধ্যপ্ৰদেশতেই হওক কংগ্ৰেছে ক্ষমতাৰ পৰা যোৱাৰ পাছত, বিজেপি ক্ষমতালৈ অহাতহে উন্নয়ন সম্ভৱ হৈছে।

৩। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে দেশত নিবনুৱা সমস্যা চৰম পৰ্যায়ত উপনীত হৈছে বুলি মন্তব্য কৰিছে।

৪। উচ্চতম ন্যায়ালয়ে ভিভি পেট শ্লিপৰ সৈতে ই ভি এমৰ জৰিয়তে সাব্যস্ত কৰা প্ৰতিটো ভোটৰ ১০০ শতাংশ সত্যাসত্য নিৰূপণৰ অনুৰোধ জনাই দাখিল কৰা কেইবাখনো আবেদন সন্দৰ্ভত ৰায় সুৰক্ষিত ৰাখিছে।

*আৰু*

৫। ভাৰতীয় পুৰুষ আৰু মহিলা কম্পাউণ্ড আৰ্চাৰী দলে আৰ্চাৰী বিশ্বকাপৰ প্ৰথম পৰ্য্যায়ৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্য্যায়ৰ বাবে আজি বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি পৰে। এই পৰ্য্যায়ৰ পৰহিলৈ ১৩ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৯ টা সংসদীয় সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। ইয়াৰ ভিতৰত অসমৰ দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও সমষ্টি আছে। প্ৰচাৰ অভিযানৰ আজি অন্তিম দিনা বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ উদ্দেশ্যে ঠায়ে ঠায়ে নিৰ্বাচনী সভাত ভাগ লয়।

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি মধ্যপ্ৰদেশৰ সাগৰৰ বাৰ্টুমাত এখন নিৰ্বাচনী সভাক সম্বোধন কৰি কয় যে দেশতেই হওক বা মধ্যপ্ৰদেশতেই হওক কংগ্ৰেছে ক্ষমতাৰ পৰা যোৱাৰ পাছত, বিজেপি ক্ষমতালৈ অহাতহে উন্নয়ন সম্ভৱ হৈছে। তেওঁ কয় যে নীতি আৰু দৃষ্টিভংগী সঠিক হ'লেহে

উন্নয়ন সম্ভৱ হয়। কংগ্ৰেছৰ শাসনকালত মধ্যপ্ৰদেশ ৰুগ্ন ৰাজ্যৰূপে জনাজাত আছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে একেখন ৰাজ্য সম্প্ৰতি বিজেপি চৰকাৰৰ অধীনত উন্নয়নৰ নতুন শিখৰত উপনীত হৈছে। ৰাজখনত ঐতিহাসিক কেন-বেতৱা সংযোগ প্ৰকল্প ইতিমধ্যে আৰম্ভ হৈছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ৰাজ্যখনত ভাল ঘাইপথৰ এটা পূৰ্ণাঙ্গ নেটৱৰ্ক গঢ়ি তোলাৰ কাম অব্যাহত আছে। নৰ্মদা প্ৰগতি পথেই হওক বা বিন্ধ্য প্ৰগতি পথ, মালৱা-নিৱাড়, মধ্যভাৰত, বুন্দেলখণ্ড প্ৰগতি পথ, এক্সপ্ৰেছৱে নতুন মধ্যপ্ৰদেশৰ পৰিচয় হৈ উঠিছে বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে।

ধৰ্ম ভিত্তিক সংৰক্ষণৰ বিৰোধিতা কৰি শ্ৰীমোদীয়ে কয় যে দেশৰ সংবিধানে ধৰ্মৰ ভিত্তিত সংৰক্ষণ প্ৰদান নকৰে। তেওঁ কয় যে বাবাচাহেব আম্বেদকাৰ নিজে ধৰ্মভিত্তিক সংৰক্ষণৰ বিৰোধী আছিল যদিও কংগ্ৰেছে কেইবাবছৰ পূৰ্বেই ধৰ্মৰ আধাৰত সংৰক্ষণৰ বিপদজনক সংকল্প গ্ৰহণ কৰিছে। তেওঁ কয় যে কংগ্ৰেছে ২০০৯ আৰু ২০১৪ চনৰ নিৰ্বাচনৰ সময়ত প্ৰকাশ কৰা দলীয় ইস্তাহাৰত ধৰ্মৰ নামত সংৰক্ষণৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। শ্ৰীমোদীয়ে কয় যে কংগ্ৰেছে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কোটা হ্ৰাস কৰি ধৰ্মৰ ভিত্তিত সংৰক্ষণ প্ৰদানৰ প্ৰস্তুতি চলাইছে।

আনহাতে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি পি এফ আই আৰু এছ ডি পি আই আদিৰ দৰে ৰাষ্ট্ৰ বিৰোধী শক্তিসমূহৰ পৰা কংগ্ৰেছ আৰু কমিউনিষ্ট দলসমূহে সমৰ্থন লোৱা বুলি অভিযোগ উত্থাপন কৰিছে। কেৰালাৰ আলাপুজ্জাত আজি বিয়লি এখন ৰাজহুৱা সভা সম্বোধন কৰি বিজেপিৰ নেতাগৰাকীয়ে অভিযোগ কৰে যে, সংখ্যালঘুসকলৰ ভোট আদায়ৰ বাবে দুয়োটা দলে কেৰালাত সন্ত্ৰাসবাদক উৎসাহিত কৰিছে। তেওঁ কয় যে, বিজেপি নেতৃত্বাধীন চৰকাৰৰ শাসনকালত পি এফ আইৰ দৰে সংগঠনক কেতিয়াও সহ্য কৰা নহয়।

কৰুণৱন্নুৰ সমবায় বেংক কেলেংকাৰীৰ কথা উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে, বিধি বলবৎকাৰী সঞ্চালকালয়ে এই কেলেংকাৰীৰ তদন্ত অব্যাহত ৰাখিছে আৰু ইয়াত ধন জমা ৰখা লোকসকলে তেওঁলোকৰ ধন ঘূৰাই পাব বুলি আশ্বাস প্ৰদান কৰিছে। তেওঁ লগতে ইয়াত জড়িত দোষী ব্যক্তিসকলক শাস্তি প্ৰদান কৰা হ'ব বুলি প্ৰকাশ কৰে।

শ্ৰীশ্বাহে ভাৰত পাৰমাণৱিক শক্তিসম্পন্ন দেশ হোৱাৰ বাবে চি পি আই এম দলে বিৰোধিতা কৰাৰ সমালোচনা কৰি কয় যে, দেশৰ সুৰক্ষাৰ স্বাৰ্থত ভাৰতে পাৰমাণৱিক শক্তি আহৰণ কৰি থাকিব। তেওঁ কয় যে, এল ডি এফ চৰকাৰে এফালে ভাৰত পাৰমাণৱিক শক্তিৰ দেশ হোৱাৰ বিৰোধিতা কৰে আৰু আনহাতে, ৰাজ্যখনত খনিজ সম্পদৰ অবৈধ খনন আৰু ইয়াৰ বিদেশত বিক্ৰীৰ সমৰ্থন কৰে।

তেওঁ কয় যে, বিভিন্ন সংঘৰ্ষৰ পৰা কেৰালাক মুক্ত কৰাৰ বাবে এই নিৰ্বাচন অনুষ্ঠিত হৈছে। তেওঁ কয় যে, আই এন ডি আই বিৰোধী মিত্ৰজোট সম্পূৰ্ণৰূপে বিফল হৈছে, কিয়নো কংগ্ৰেছ আৰু বাওঁদলে দিল্লীত একেখন মঞ্চত মিলিত হৈছে যদিও ৰাজ্যখনত দুয়োটা দলে পৰস্পৰৰ বিৰোধিতা কৰিছে।

ইপিনে, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে কৈছে যে দেশত নিবনুৱা সমস্যা চৰম পৰ্যায়ত উপনীত হৈছে আৰু যুৱক-যুৱতীসকলে কৰ্মসংস্থাপনৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে। মহাৰাষ্ট্ৰৰ অমৰাৱতীত কংগেৰছ প্ৰাৰ্থী বলৱন্ত ৱাংখেড়েৰ হকে এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি শ্ৰীগান্ধীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে আই এন ডি আই মিত্ৰজোঁট ক্ষমতালৈ আহিলে স্নাতক আৰু ডিপ্লমাধাৰী শিক্ষাৰ্থীসকলে চৰকাৰী, ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ কোম্পানীত শিক্ষানবিচৰ অধিকাৰ লাভ কৰিব। তেওঁলোকে বছৰি বেংক একাউণ্টত ১ লাখ টকাকৈ লাভ কৰিব বুলিও কংগ্ৰেছ নেতাগৰাকীয়ে মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ

মোদীৰ অৰ্থনৈতিক নীতিৰ সমালোচনা কৰি শ্ৰী গান্ধীয়ে আই এন ডি আই মিত্ৰজোঁট ক্ষমতালৈ আহিলে দুখীয়া খেতিয়কৰ ঋণ মাফ কৰা হ'ব বুলি ঘোষণা কৰে। তেওঁ লগতে দেশত জাতিগত লোকপিয়ল কৰাৰ কথাও ঘোষণা কৰে।

কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়েও আজি কেৰালাত কেইবাখনো নিৰ্বাচনী সভাত ভাগ লয়।

অসমতো সকলো ৰাজনৈতিক দলৰ শীৰ্ষ নেতাসকলে ভোটদাতাক প্ৰভাৱিত কৰাৰ বাবে প্ৰচাৰ অভিযানৰ আজি অন্তিম দিনা পাৰ্যমানে চেষ্টা চলায়। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই আজি দলগাঁৱত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সমাৱেশত অংশগ্ৰহণ কৰে। সভাত ভাষণ দি তেওঁ কয় যে অসম চৰকাৰে চলিত বছৰত নতুনকৈ ৫০ হাজাৰ যুৱক-যুৱতীক নিযুক্তি প্ৰদান কৰিব। আনহাতে, প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই আজি নগাঁৱত অনুষ্ঠিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দিয়ে। একেদৰে এ আই ইউ ডি এফ দলৰ সভাপতি বদৰুদ্দিন আজমল, বড়োলেণ্ড পিপুল্‌ছ পাৰ্টী বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰী আৰু ভিন ভিন ৰাজনৈতিক দলৰ আন বহুকেইগৰাকী নেতাই আজি নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে।

০০০০০০০

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কৈছে যে, এৰাতিৰ ভিতৰতে সমাজ পৰিৱৰ্তন কৰিব নোৱাৰি আৰু ইয়াৰ বাবে গভীৰ বিবেচনা আৰু আইনী ভিত্তিৰ প্ৰয়োজন। দিল্লীত কংগ্ৰেছে আয়োজন কৰা সামাজিক ন্যায় সমাৱৰ্তনত ভাষণ প্ৰদান কৰি শ্ৰীখাৰ্গেই লগতে কয় যে, কংগ্ৰেছৰ প্ৰখ্যাত নেতাসকলে দুয়োটাৰে নিশ্চিতি প্ৰদান কৰে। তেওঁ লগতে কয় যে, জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰাৰ ক্ষেত্ৰত কংগ্ৰেছৰ এটা ইতিহাস আছে আৰু এম জি এনৰেগা, তথা জনাৰ অধিকাৰ আৰু খাদ্য সুৰক্ষাৰ অধিকাৰ আদিৰ ৰূপায়ণে দলটোৰ দায়ৱদ্ধতাক সঁচা প্ৰতিফলিত কৰে। জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়েও এই সমাৱৰ্তনত সম্বোধন কৰে।

০০০০০০০

উচ্চতম ন্যায়ালয়ে ভিভি পেট শ্লিপৰ লগতে ই ভি এমৰ জৰিয়তে সাব্যস্ত কৰা প্ৰতিটো ভোটৰ ১০০ শতাংশ সত্যাসত্য নিৰূপণৰ অনুৰোধ জনাই দাখিল কৰা কেইবাখনো আবেদন সন্দৰ্ভত ৰায় সুৰক্ষিত ৰাখিছে। ন্যায়াধীশ সঞ্জীৱ খান্না আৰু ন্যায়াধীশ দীপাংকৰ দত্তাক লৈ গঠিত এখন বিচাৰপীঠে আজি শুনানীৰ সময়ত ই ভি এমৰ কাম-কাজক লৈ নিৰ্বাচন আয়োগক কেইবাটাও প্ৰশ্ন সোধে। আয়োগে কোনো পৰ্যায়তে ই ভি এমত বেমেজালি কৰাটো অসম্ভৱ বুলি আশ্বাস প্ৰদান কৰে। আয়োগে কয় যে, বৰ্তমানলৈকে ৪১ হাজাৰ ৬২৯ বাৰত ৪ কোটিৰো অধিক ভিভি পেট শ্লিপ মিলাই চোৱা হৈছে। বিচাৰপীঠখনে নিৰ্বাচন আয়োগৰ প্ৰতি আস্থা প্ৰকাশ কৰি বেলট পেপাৰ ব্যৱস্থালৈ উভতি যোৱাৰ অৱধাৰণাৰ প্ৰতি অসন্মতি প্ৰকাশ কৰে। নিৰ্বাচন আয়োগে কয় যে, সকলো ভিভি পেট শ্লিপ গণনা কৰাটো ব্যৱহাৰিকভাৱে সম্ভৱ নহয়। বৰ্তমান প্ৰতিটো বিধানসভা সমষ্টিৰ যিকোনো ৫ টা ই ভি এমৰ ভিভি পেট শ্লিপৰ সত্যাসত্য নিৰূপণ কৰা হয়। গণতান্ত্ৰিক সংস্কাৰ সংস্থাসহ আবেদনকাৰীসকলে দেশৰ ৯৭ কোটি পঞ্জীকৃত ভোটদাতাৰ অধিক স্বচ্ছ নিৰ্বাচন প্ৰণালীৰ অধিকাৰ আছে বুলি যুক্তি আগবঢ়াইছে।

০০০০০০০

ভাৰতৰ পুৰুষ আৰু মহিলা কম্পাউণ্ড আৰ্চাৰী দল চাংঘাইত অনুষ্ঠিত আৰ্চাৰী বিশ্বকাপৰ প্ৰথম পৰ্য্যায়ৰ ফাইনেলত প্ৰৱেশ কৰিছে। অভিষেক বাৰ্মা, প্ৰিয়াংশ আৰু প্ৰথমেশ ফুগেৰ ভাৰতীয় পুৰুষ দলটোৱে আজি

ছেমি ফাইনেলত দক্ষিণ কোৰিয়াক ২৩৫-২৩৩ ফলাফলত পৰাস্ত কৰাৰ বিপৰীতে জ্যোতি সুৰেখা ৱেন্নম, অদিতি গোপীচান্দ আৰু পৰ্ণীত কৌৰক লৈ গঠিত মহিলা দলটোৱে ছেমি ফাইনেলত এস্তোনিয়াক ২৩৫-২৩০ ফলাফলত পৰাভূত কৰে। পুৰুষ দলটো ফাইনেলত নেডাৰলেণ্ডছৰ আৰু মহিলা দলটো ইটালীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পুৰুষ আৰু মহিলা উভয় শাখাৰ ফাইনেল খেলসমূহ ২৭ এপ্ৰিলত অনুষ্ঠিত হ'ব।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইফালে, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে যোৱানিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছক ৬ উইকেটত পৰাস্ত কৰে। খেলখনত চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ২১০ ৰান কৰে। প্ৰত্যুত্তৰত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ১৯ অভাৰ আৰু ৩টা বলত ৪ উইকেটৰ বিনিময়ত ২১৩ ৰান সংগ্ৰহ কৰে।

০০০০০০০

**সমাপ্ত**